# গোহাৰি

আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে নিতাইপুখুৰী **হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় তথা আমাৰ প্ৰয়াস, ইতিবাচক মঞ্চৰ সহযোগত চিত্তৰঞ্জন শইকীয়া সোঁৱৰণী ন্যাসে** অহা ১০ জুনৰপৰা ২০ জুন ২০২৩ লৈ **অভিনয় বিষয়ক এটি কৰ্মশালা** অনুষ্ঠিত কৰিছে। পৰিৱৰ্তিত পৰিৱেশ আৰু নতুন শিক্ষানীতিৰ প্ৰেক্ষাপটত সহ-বিদ্যায়তনিক শিক্ষা, বিভিন্ন কাৰু-কলাৰ প্ৰশিক্ষণ তথা জ্ঞান অত্যন্ত জৰুৰী বুলি বিবেচিত হৈছে। ব্যক্তিয়ে ব্যক্তিৰ লগত আন্তঃসম্পৰ্ক স্থাপন, যোগাযোগ, আদান-প্ৰদানৰ আনুষ্ঠানিক শিক্ষাও প্ৰয়োজনীয় হৈ পৰিছে। নাটক আৰু অভিনয় এনে এক কলা, যিয়ে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ লগতে মানৱীয় গুণসমূহৰো বিকাশ ঘটাব পাৰে। এইখিনি কথাত গুৰুত্ব দি চিত্তৰঞ্জন শইকীয়া সোঁৱৰণী ন্যাসে অভিনয় আৰু নাট্যকলা বিষয়ক কিছু কাৰ্যসূচী হাতত লৈছে। এই কৰ্মশালাটি আমাৰ প্ৰথম প্ৰয়াস। আশাকৰোঁ আপোনালোকৰ পৰামৰ্শ আৰু সহায়-সহযোগিতাই অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিব।

ইতি

ভৱদীয় —

ড° গীতালী শইকীয়া

**সঞ্চালক, চিত্তৰঞ্জন শইকীয়া সোঁৱৰণী ন্যাস**